AMAZING FACTS
India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## ৰজাৰ ৰাষ্ট্ৰদূত

মথি ৩:১-১২

## কাহিনী...



**যীচুৱে** কৈছিল, “তিৰোতাৰ পৰা জন্ম পোৱাবিলাকৰ মাজত, যোহন বাপ্তাইজতকৈ মহান কোনো ওলোৱা নাই”.মথি ১১:১১। এই নিৰ্জন ঠাইত বাস কৰা মানুহ গৰাকীৰ বিষয়ে আমি কি জানো যি জনক যীচুৱে ভাৱবাদীবিলাকৰ মাজত সবাতকৈ মহান বুলি কৈছে?

যেতিয়া যোহনে যিহুদাৰ অৰণ্যত প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিছিল, ইয়াৰ চাৰিওফালে থকা মাইল মাইল আতঁৰৰ পৰা লোকসমুহ আহি তেওঁৰ শক্তিশালী, নিৰ্ভয়যুক্ত আৰু বিনীত বানীবোৰ শুনিছিল। সেই সময়ৰ ধৰ্ম্মীয় নেতাবিলাকৰ তুলনাত তেওঁৰ পবিত্ৰ আৰু সৰল জীৱন-যাপন আছিল চকুত লগা বিধৰ। এফালে পুৰোহিত সকলে পৰিধান কৰিছিল বিলাসিতাপূৰ্ণ সাজ-পাৰ আৰু আনফালে যোহনে পৰিধান কৰিছিল চামৰাৰ এডাল পেটিৰে সৈতে উটৰ নোমেৰে তৈয়াৰী এজোৰ সমভ্ৰমশীল পোচাক। যেতিয়া তেওঁলোকে ভোজ-ভাত খায় পাৰ্টি কৰিছিল, তেতিয়া যোহনে হয়তো লঘোণ দিছিল নাইবা ফৰিং (carob pods) আৰু বনৰীয়া মৌ খাইছিল। তেওঁ কোনো দ্ৰাক্ষাৰস (মদ্যপান) বা ৰাগীয়াল দ্ৰব্য পান কৰিবলৈ অস্বাজ্য কৰিছিল, যাতে তেওঁ ঈশ্বৰৰ পবিত্ৰ আত্মাৰে পুৰ হবলৈ পাৰে (লূক ১:১৫)। উপদেশ দিবলৈ যোহনে অলংকৃত মন্দিৰবোৰতকৈ নদীৰ দাতি আৰু শিলাময় উপত্যকাবোৰকে তেওঁৰ বৃহত গীৰ্জাঘৰ হিচাপে ব্যৱহাৰ কৰিছিল। অতি সোনকালে লোকসমুহে সোধা-সুধি কৰিছিল “এই মানুহ জনেই এলিয়া হব পাৰে নেকি?”

যোহনে পুৰনি নিয়মৰ ভাৱবাদীবিলাকৰ দৰেই সাজ-পাৰ পিন্ধিছিল, কিন্তু তেওঁ এলিয়াৰ অৱতাৰ নাছিল। স্বৰ্গদূত গাব্ৰিয়েলে যোহনৰ পিতৃ-মাতৃক তেওঁৰ জন্মৰ আগতেই বুজাই কৈছিল যে প্ৰভুৰ নিমিত্তে লোকসমুহক প্ৰস্তুত কৰিবলৈ তেওঁ “এলিয়াৰ আত্মা আৰু শক্তিত প্ৰচাৰ কৰিবলৈ ওলাই যাব”। লূক ১:১৭।

যোহনৰ পৰিচৰ্য্যাত মুখ্য কথাটো আছিল যে ঈশ্বৰৰ লোকবিলাকৰ মাজত জাগৰণ আনিবলৈ এলিয়াক যি শক্তিয়ে সক্ষম কৰি তুলিছিল সেই একেই পবিত্ৰ আত্মাৰ শক্তি তেৰোঁ লাভ কৰিবলগীয়া আছিল। পাপৰ নিমিত্তে অনুতাপ কৰিবলৈ উপদেশ দিয়া আৰু যীচুৰ প্ৰথম আগমনৰ বাবে লোকসমুহক যুগুত কৰা, এইটোৱে আছিল তেওঁৰ বিশেষ কাম।

বাইবেলে কৈছে যীচুৰ দ্বিতীয় আগমনৰ বাবে জগতখনক প্ৰস্তুত কৰা এই একেটা কাম কৰিবলৈ অন্তিম দিনবিলাকত এলিয়া আৰু যোহন বাপ্তাইজকৰ সকলোবোৰ সৈন্য-সামন্ত থাকিব। “চোৱা, যিহোৱাৰ সেই মহত আৰু ভয়ানক দিন অহাৰ আগেয়ে, মই তোমালোকৰ ওচৰলৈ এলিয়া ভাৱবাদীক পঠাম”। মলাখী ৪:৫ (যোৱেল ২:২৮-৩১ পদবোৰকো চাওঁক)।



পাঠ নং-২৩

# অধ্যয়ণ

*তলত দিয়া প্ৰতিটো বাইবেল পদ পঢ়াৰ পাছত খালী ঠাইবোৰ পুৰন কৰক।*

## ১. যোহনৰ জীৱনটো আত্মাৰে পৰিপূৰ্ণ হোৱাৰ ৰহস্যটো কি আছিল?

**লূক ৩:১৬** *যোহনে উত্তৰ দি সকলোৰে আগত কলে, মই হলে তোমালোকক পানীত বাপ্তাইজ কৰিছোঁ, কিন্তু মোতকৈ শক্তিমান জনা আহিছে; মই তেওঁৰ পাদুকাৰ বান্ধ মেলিবৰো ______________________ ______________________ ।*

**যোহন ৩:৩০** *তেওঁ বাঢ়ি বাঢ়ি যাব লাগে কিন্তু মই ______________________ হৈ হৈ যাব লাগে।*

**টোকা:** যোহন বাপ্তাইজৰ জীৱনটো আত্মাৰে পৰিপূৰ্ণ হৈ থকা ৰহস্যটো হৈছে তেওঁৰ অস্বভাৱিক নম্ৰতা। যোহনৰ পৰাক্ৰমী পৰিচৰ্য্যা আৰু প্ৰভুৰ হাতত নিজকে সম্পূৰ্ণবাৰে সমৰ্পণ কৰাৰ মাজত এটা প্ৰত্যক্ষ সমপৰ্ক আছিল। নিজকে দেখুওৱাতকৈ লোকবিলাকক যীচুলৈ আঙুলিয়াই দেখুওৱাত যোহনে সৰ্ব্বাধিক আনন্দ আৰু তৃপ্তি লভিছিল। তেওঁ যি সকলোবোৰ কৰিছিল একমাত্ৰ ঈশ্বৰৰ নামত গৌৰৱ-প্ৰশংসা আনিবলৈকে কৰিছিল।

## ২. যোহন বাপ্তাইজকে ধৰ্ম্মশাস্ত্ৰ অধ্যয়ণ কৰিছিল নে?

**যোহন ১:২৩** *তেওঁ কলে, যিচয়া ______________________ যেনেকৈ কৈছিল, বোলে, প্ৰভুৰ পথ পোন কৰা, "অৰণ্যত এইবুলি ৰিঙিওৱা এজনৰ মাত", সেই ______________________ মই।*

**টোকা:** হয়, কৰিছিল! ধৰ্ম্মশাস্ত্ৰত যে তেওঁৰ মজবুত আধিপত্য আছে তাৰ প্ৰমান স্বৰূপে যোহনে পুৰনি নিয়মৰ পৰা উদ্ধৃতি দিছিল। বাইবেলে আমাক ইয়াকো কৈছে যে যোহনে তেওঁৰ শিষ্যবিলাকক প্ৰায়েই প্ৰাৰ্থনা কৰিবলৈ আৰু লঘোণ দিবলৈ শিকাইছিল (মথি ৯:১৪)। প্ৰভুৰ প্ৰতি যে তেওঁৰ গভীৰ প্ৰেম আছিল এইটো আন এটা সাক্ষ্য। এনেদৰে, আমাৰ ব্যক্তিগত ভক্তি-উপসনা আৰু বাইবেল অধ্যয়ণৰ যোগেদি আমি ঈশ্বৰক অধিক জানো আৰু তেওঁক প্ৰেম কৰিবলৈ শিকোঁ আৰু তেওঁৰ আত্মা লাভ কৰোঁ।

## ৩. যীচুৰ হকে সাক্ষ্য দিবলৈ যোহন বাপ্তাইজক ইচ্ছুক আছিল নে?

**যোহন ১:২৯** *পাছদিনা তেওঁৰ ওচৰলৈ যীচুক অহা দেখি, তেওঁ কলে, জগতৰ পাপ নিওঁতা ঈশ্বৰৰ মেৰ ______________________ ______________________ ।*

**টোকা:** স্বভাৱতে, যোহন নিৰ্জন ঠাইত থাকি ভাল পোৱা এজন ব্যক্তি আছিল (লূক ১:৮০)। তথাপিও জগতৰ ত্ৰাণকৰ্ত্তা হিচাপে যীচুক লোকসমুহৰ আগত দেখুওৱাই দিবলৈ তেওঁ ঠাট্টা বিদ্ৰুপ হাঁহিয়াতৰ পাত্ৰ হবলৈ গাত পাতি লৈছিল আৰু এনে কৰোঁতে প্ৰয়োজন হলে প্ৰাণ আহুঁতি দিবলৈকো সাজু আছিল। এই একেদৰে, আজিও যিবিলাকে প্ৰভুক সচাকৈয়ে প্ৰেম কৰে তেওঁবিলাকে যীচুৰ হকে সাক্ষ্য দিবলৈ ভয় ভাবুকী আৰু সুযোগ-সুবিধা আটাইবোৰকে এফলীয়াকৈ এৰি থৈ যাবলৈ ইচ্ছা কৰিব।

## ৪. যোহনৰ চিধা-চিধি উপদেশবোৰে ৰাজনৈতিক আৰু ধৰ্ম্মীয় নেতাবিলাকৰ মাজত জনপ্ৰিয়তা লাভ কৰিছিল নে?

**লূক ৭:৩০** *কিন্তু ফৰীচী আৰু বিধান-পন্ডিত সকলে তেওঁৰ দ্বাৰাই বাপ্তাইজিত নহৈ তেওঁবিলাকৰ নিজৰ নিমিত্তে থকা ঈশ্বৰৰ ইচ্ছাক ____________________ কৰিলে।কেজিভি।*

**লূক ৩:১৯, ২০** *কিন্তু হেৰোদ ৰজা, তেওঁৰ ভায়েকৰ তিৰোতা হেৰোদিয়াৰ বিষয়ে, আৰু তেওঁ কৰা সকলো কুকৰ্ম্মৰ বিষয়েও, যোহনৰ দ্বাৰাই ____________________ হোৱাত, তেওঁ যোহনক ____________________ বন্ধ কৰি, পাপৰ ওপৰি পাপ কৰিলে।*

**টোকা:** যোহনে সাহসিকতাৰে সেইবোৰ দিনৰ সেই পাপবিলাকৰ বিৰুদ্ধে মাত মাতিছিল যিবোৰ পাপত এনেকি ধৰ্ম্মীয় নেতাবিলাকো লিপ্ত আছিল। মন-পালটন আৰু পবিত্ৰতাৰ বিষয়ে প্ৰচাৰ কৰা ঈশ্বৰৰ অন্তিম দিনৰ বানীটোও অধিক সংখ্যক সন্মানীয় ৰাজনৈতিক আৰু মন্ডলিৰ নেতাবিলাকৰ মাজত অপ্ৰিয় হৈ পৰিব, কিন্তু ই বাইবেল ভিত্তিত হব।

## ৫. বাইবেলে গহনা-পাতি অলংকাৰ আৰু মনোহৰী ধুনিয়া কাপোৰ পিন্ধাত মানা কৰিছে নেকি?

**১ম তীমথিয় ২:৯** *সেইদৰে তিৰোতাবিলাকে (পুৰুষ বিলাকেও)সুলাজ আৰু সিবোধেৰে সৈতে, ____________________ পোচাকেৰে নিজকে ভূষিত কৰক; চেলা বটা চুলি, ____________________, মুকুটা আৰু বহুমুল্য বস্ত্ৰেৰে নহয়, কিন্তু ঈশ্বৰ-ভক্তি স্বীকাৰ কৰা তিৰোতাবিলাকৰ যোগ্য সতকৰ্ম্মেৰে ভূষিত কৰক।*

**১ম পিতৰ ৩:৩, ৪** *কেশ-বেশ, আৰু সোনৰ অলংকাৰ পিন্ধা, বা নানা বস্ত্ৰ পৰিধান; এনে ____________________ ভূষণ তোমালোকৰ ____________________; কিন্তু নম্ৰ আৰু শান্ত আত্মাৰূপ অক্ষয় বস্ত্ৰ পিন্ধা যি গুপ্ত আন্তৰিক মনুষ্য, সিয়েই তোমালোকৰ ভূষণ হওক; এনে আত্মাহে ঈশ্বৰৰ দৃষ্টিত ____________________ ।*

**যিচয়া ৩:১৮-২১** *সেই দিনা প্ৰভুৱে সিহঁতৰ নেপুৰ,জালী-কটা টুপি, চন্দ্ৰহাৰ, উন্তি,খাৰু,ওৰণি, কপালি, ____________________, টঙালি,সুগন্ধি দ্ৰব্যৰ টেমা, তাবীজ, ____________________ নথ, ____________________ সাজ, চোলা,শাল কাপোৰ থুনুপাক, হাত দাপোণ, মিহি শণ সুতাৰ বস্ত্ৰ,পাগুৰি,আৰু দীঘল ওৰণি,এই সকলো শোভাৰ বস্তু কাঢ়ি লব।*

**টোকা:** হয় কৰিছে! যোহন বাপ্তাইজকে সাধাৰণ পৰিপাটি সাজ পৰিধান কৰিছিল- অনুকৰণ কৰিবলৈ খ্ৰীষ্টিয়ান বিলাকৰ নিমিত্তে এটা উত্তম আৰ্হি। আজি কালিৰ জনপ্ৰিয় যৌন-আবেদনময়ী কাপোৰ-কানি আৰু ফেচন সমুহে পৰীক্ষা প্ৰলোভন মাতি অনাত আৰু ধাৰ ঋণত পোত যোৱা অৱস্হা কৰাত এটা ডাঙৰ ভুমিকা পালন কৰে। মানুহক আকৰ্ষিত কৰাৰ উদ্দেশ্য আমি সাজ-পোচাক পৰিধান কৰাতোক ঈশ্বৰে বিচৰা নাই, অতিমাত্ৰা দামী, জকমকীয়া, বা আড়ম্বৰপূৰ্ণ সাজ-পোচাক ইত্যাদিবোৰ খ্ৰীষ্টিয়ানৰ সাজ-পোচাক থোৱা ঠাইৰ এটা অংশ হোৱা অনুচিত। পৃথিবীত আ-অলংকাৰ পিন্ধাতো যদিও সকলোবোৰ ঠাইতেই গ্ৰহনীয়, ধৰ্ম্মশাস্ত্ৰত কিন্তু ইয়াৰ এটা ঋণাত্মক ৰূপ আছে। যিচয়া ৩:১৮-২৩ পদবোৰত দিয়া সকলোবোৰ আ-অলংকাৰ আপুনি হয়তো চিনি নাপাব পাৰে, কিন্তু পৃথিবীৰ অন্য প্ৰান্তৰ লোকসকলে সেইবোৰ চিনি পায়। পৌত্তলিকতাৰ এই অলংকাৰবোৰৰ বহুতো অলংকাৰ এতিয়া পশ্চিমীয়া সংস্কৃতিতো দেখিবলৈ পোৱা যায়।

## ৬. আত্মাৰে পৰিপূৰ্ণ যোহনৰ জীৱন আৰু তেওঁৰ সাধাৰণ খাদ্যৰ মাজত কিবা এটা সম্পৰ্ক আছিল নেকি?

**লূক ১:১৫** *কিয়নো প্ৰভুৰ দৃষ্টিত তেওঁ মহান হব, আৰু ____________________ বা ____________________ পান নকৰিব আৰু ওপজাৰে পৰা ____________________ পৰিপূৰ্ণ হৈ।*

**টোকা:** খ্ৰীষ্টিয়ানবিলাকে তেওঁবিলাকৰ মনবোৰক স্বচ্ছ ৰাখিবলৈ আৰু ঈশ্বৰৰ আত্মাৰ মাত শুনিবলৈ সকলো প্ৰকাৰৰ ৰাগীয়াল দ্ৰব্যৰ পৰা সম্পূৰ্ণৰূপে আতৰি থকা উচিত (হিতোপদেশ ২৩:৩১, ৩২; হব্বকুক ২:১৫; ১ম পিতৰ ৫:৮)।

## ৭. আমি কি খাওঁ আৰু কি পান কৰোঁ তাত ঈশ্বৰে কিয় বিচাৰ লয়?

**বিচাৰকৰ্ত্তাবিলাক ১৩:৭** *কিন্তু তেওঁ মোক কলে, চোৱা, তুমি গৰ্ভধাৰণ কৰি এটি পুত্ৰ প্ৰসৱ কৰিবা; এই হেতুকে তুমি দ্ৰাক্ষাৰস বা সুৰা পান নকৰিবা, আৰু ____________________ ____________________ বস্তুও ভোজন নকৰিবা; কিয়নো সেই লৰা জন্মৰে পৰা মৰণৰ দিনলৈকে ঈশ্বৰৰ উদ্দেশে নাচৰীয়া হব।*

**১ম কৰিন্থীয়া ৬:১৯** *নতুবা ঈশ্বৰৰ পৰা পোৱা যি পবিত্ৰ আত্মা তোমালোকৰ অন্তৰত থাকে, তোমালোকৰ ____________________ যে তেওঁৰ ____________________, ইয়াক তোমালোকে নাজানা নে?*

**টোকা:** আমি কি খাওঁ বা পান কৰোঁ আৰু আমাৰ মানসিক স্বচ্ছতা, পৰীক্ষা প্ৰলোভন প্ৰতিৰোধ কৰিবলৈ পৰা সক্ষমতা আৰু শুদ্ধ আৰু অশুদ্ধতাৰ মাজত থকা পাৰ্থক্য চিনিব পৰা সামৰ্থ্যতাৰ মাজত এটা পোনপটিয়া সম্পৰ্ক আছে। কি খায় আৰু কি পান কৰে এইবোৰকে ধৰি এজন খ্ৰীষ্টিয়ানে যি সকলোবোৰ কাৰ্য্য কৰে- সেই সকলোবোৰকেই ঈশ্বৰৰ গৌৰৱ-মহিমাৰ হকে কৰা উচিত (১ম কৰিন্থীয়া ১০:৩১)।

## ৮. জাগতিক আচাৰ-ব্যৱহাৰৰ বিষয়ে বাইবেলে কি কৈছে?

**যাকোব ৪:৪** *জগতৰ মিত্ৰতাই ঈশ্বৰৰ শত্ৰুতা ... এতেকে যি জনে জগতৰ ____________________ হবলৈ ইচ্ছা কৰে, তেওঁ নিজকে নিজে ঈশ্বৰৰ ____________________ কৰি লয়।*

**২য় কৰিন্থীয়া ৬:১৭** *এতেকে প্ৰভুৱে কৈছে, তোমালোক সিহঁতৰ মাজৰ পৰা ওলাই আহি ____________________ হোৱা, আৰু কোনো অশুচিকে নুচুব; তাতে মই তোমালোকক গ্ৰহণ কৰিম।*

**১ম যোহন ২:১৫** *কোনোৱে যদি ____________________ প্ৰেম কৰে, তেন্তে পিতৃৰ প্ৰেম তেওঁৰ অন্তৰত ____________________ ।*

**ৰোমীয়া ১২:২** *তোমালোক জগতৰ অনুৰূপ নহবা; কিন্তু যিহতে ঈশ্বৰৰ ইচ্ছা, অৰ্থাত উত্তম, গ্ৰহণীয়, আৰু সিদ্ধ কি, তাক পৰীক্ষা কৰি জানিবা, তাৰ কাৰনে তোমালোক নতুন মন কৰাৰ দ্বাৰাই আন ৰূপ ধৰা।*

**টোকা:** প্ৰভুৱে আজি তেওঁৰ লোকসকলক এক আৰ্হিস্বৰূপ জীৱন নিৰ্ব্বাহ কৰিবলৈ আহ্বান কৰিছে যাতে তেওঁবিলাকে আনক যীচুৰ দ্বিতীয় আগমণৰ নিমিত্তে যুগুত কৰাব পাৰে।

## ৯. এজন খ্ৰীষ্টিয়ানে কিহৰ বিষয়ে চিন্তা কৰা উচিত?

**ফিলিপীয়া ৪:৮** *যি যি ____________________, যি যি আদৰণীয়, যি যি ন্যায়, যি যি ____________________, যি যি প্ৰিয়, যি যি সুখ্যাতিযুক্ত, যিকোনো ____________________, আৰু যিকোনো প্ৰশংসা হওক, সেই সকলোৰে আলোচনা কৰা।*

**গীতমালা ১০১:৩** *মই ____________________ জঘন্য বিষয় মোৰ ____________________ আগত নাৰাখিম।*

**টোকা:** যোহন বাপ্তাইজকে লোকসমূহক সকলো প্ৰকাৰৰ হিংসাৰ পৰা আতৰি থাকিবলৈ আদেশ দিছিল (লূক ৩:১৪)। আমাৰ নিমিত্তে ইয়াৰ সৈতে অন্তৰ্ভূক্ত হব, মনোৰঞ্জনৰ বাবে হিংসাত্মক দৃশ্য চোৱা। যীচুৱে শিকাইছিল যে ব্যভিচাৰ আৰু হিংসাত্মত কাৰ্য্যৰ পাপবোৰ মনৰ ভিতৰত আৰু মনৰ চিন্তা ভাৱনাতেই উতপন্ন হয় (মথি ৫:২২, ২৮)। গতিকে এজন খ্ৰীষ্টিয়ানে মনৰ ভাৱনাবোৰক অপবিত্ৰ কৰিব পৰা যিকোনো টিভি প্ৰগ্ৰাম, ভিডিঅ, চোৱাৰ পৰা বা লিখনি পঢ়াৰ পৰা আতৰি থকা উচিত।

## ১০. এজন প্ৰকৃত খ্ৰীষ্টিয়ানে কি প্ৰকাৰৰ সংগীত উপভোগ কৰিব বাৰু?

**গীতমালা ৪০:৩** *তেওঁ মোৰ মুখত এটি ____________________ ____________________ দিলে, আমাৰ ঈশ্বৰৰ উদ্দেশ্যে স্তুতি দিলে।*

**১ম চামুৱেল ১৬:২৩** *পাছে, ঈশ্বৰৰ পৰা অহা দুষ্ট আত্মাই যেতিয়া চৌলক ধৰে, তেতিয়া দায়ুদে ____________________ লৈ হাতেৰে বজায়; তাতে চৌল সুস্হ হয়, তেওঁ ____________________ পায়, আৰু সেই দুষ্ট আত্মাই তেওঁক এৰি থৈ যায়।*

**টোকা:** এইটো অতিশয় স্পষ্ট যে পৃথিবীৰ জনপ্ৰিয় অধিক সংখ্যক সংগীতেই আত্মিকভাৱে আমাক কোনো প্ৰকাৰে সহায় নকৰে। ইয়াৰ পৰিবৰ্ত্তে স্বৰ্গীয় বিষয়বোৰৰ প্ৰতি থকা আমাৰ হেপাহঁবোৰকহে ই ধ্বংশ কৰি পেলায় আৰু প্ৰায়েই সুপ্ত হৈ থকা পশুৰ চৰিত্ৰটোক শক্তিশালী কৰি তোলে। তথাপিও, উত্তমতাৰ বাবে সংগীতৰ এটা আচৰিত শক্তি আছে। চৌল ৰজা যেতিয়া এটা দুষ্ট আত্মাৰ দ্বাৰাই যন্ত্ৰণা পাই আছিল, দায়ুদৰ বীণাৰ পৰা ওলোৱা সংগীতে তেওঁক উপশম দিছিল আৰু দুষ্ট আত্মাৰ প্ৰভাৱ আতৰাই দিছিল।

## ১১. এজন খ্ৰীষ্টিয়ানৰ নিমিত্তে নৃত্য উপভোগ কৰাতো উত্তম আমোদ-প্ৰমোদ নেকি?

**১ম যোহন ২:৬** *মই তেওঁত থাকোঁ, এই বুলি যি কোনোৱে কয়, তেওঁ যেনে ____________________ কৰিলে, তেৱোঁ তেনে ____________________ কৰা উচিত।*

**তীত ২:১২** *আৰু আমি ভক্তি-লঙ্ঘন আৰু ____________________ অভিলাষ অস্বীকাৰ কৰি, গম্ভীৰ, ধাৰ্ম্মিক, আৰু ____________________; এই বৰ্ত্তমান সংসাৰত যেন জীৱন যাপন কৰোঁ।*

**টোকা:** একে সময়ৰ অধিকাংশ জনপ্ৰিয় সংগীত জাগতিক সংগীতৰ সৈতে সংযুক্ত হৈ আছে আৰু তাত অতি শক্তিশালীৰূপত যৌনতা প্ৰকাশ ভঙ্গী লুকাই আছে। এনেকুৱা ধৰণৰ পৰিস্হিতিৰ যিকোনো এটাতে আমি সুধি চোৱা উচিত, "যীচুৱে কি কৰিব?" মই ভাৱো আমি সকলোৱেই এই কথাত নিশ্চয় একমত হম যে আমাৰ ত্ৰাণকৰ্ত্তা জনা তেওঁৰ কাৰণটোক ত্যাগ নকৰি নিজৰ মতত অটল থাকিব আৰু সংগীতৰ তালে তালে আমাৰ শৰীৰ আৰু ভৰিবিলাকক জোকাৰিবলৈ অনুমতি নিদিব।

## ১২. এজন খ্ৰীষ্টিয়ানে লটাৰি বা জোৰা খেলিব নে?

**১ম তীমথিয় ৬:১০** *ধন লোভেই সকলো মন্দৰ মূল; তাৰে আকাংক্ষ্যা কৰি, কোনো কোনো মানুহে বিশ্বাসৰ পৰা ভ্ৰান্ত হৈ, ______________________ শলাৰে নিজকেই শালিলে।*

**২য় থিচলনীকীয়া ৩:১০** *কিয়নো, ______________________ কৰিবলৈ যদি কোনোৱে অসন্মত হয়, তেওঁ আহাৰো নকৰক।*

**হিতোপদেশ ২৮:২০** *কিন্তু চহকী হবলৈ ______________________ কৰা লোকে দন্ড নোপোৱাকৈ নাথাকিব।*

**টোকা:** জোৰা খেলা অভ্যাস বহু কেইটা ড্ৰাগছত (নিচা-যুক্ত দৰব) আসক্ত হোৱাৰ দৰে হব পাৰে। কিছুমানে ৰাজহুৱা নাচঘৰত বা ৰাজ্যিক লটাৰি টিকেত কিনাত পৰিয়ালৰ আটাইবোৰ সঞ্চিত ধন হেৰাহোৰে অপচয় কৰে। "অতি শীঘ্ৰে ধনী হোৱাৰ" আচনিবোৰত অনাকাংখ্যিত বিপদ, অমঙ্গলীয় মূল্য ভৰিব লগীয়াৰ ভয় আৰু প্ৰশ্নবোধক নীতি সংযুক্ত হৈ থাকে।

## ১৩. আজি ঈশ্বৰৰ লোকসকলৰ লক্ষ্য কি হোৱা উচিত?

**১ম যোহন ৩:২২** *কিয়নো আমি তেওঁৰ আজ্ঞাবোৰ ______________________ কৰোঁ, আৰু তেওঁৰ দৃষ্টিত যি যি ______________________, তাকে কৰোঁ।*

**উপদেশক ১২:১৩** *ঈশ্বৰলৈ ভয় ৰাখা, আৰু তেওঁৰ আজ্ঞাবিলাক পালন কৰা কিয়নো এয়েই মানুহৰ ______________________ কৰ্ত্তব্য কৰ্ম্ম।*

**টোকা:** এজন ব্যক্তিয়ে যদি তেওঁ আৰু তেওঁৰ পৰিয়ালটোক ঈশ্বৰৰ ৰাজ্যত ত্ৰাণপ্ৰাপ্ত হোৱাতোক বিচাৰে তেওঁ নিজে ভাল পোৱাৰ দৰে যিকোনো এটা জীৱন নিৰ্ব্বাহ কৰিব নোৱাৰে। যীচুৱে জগতলৈ অহাৰ এইটোও এটা কাৰণ আছিল— যেন পবিত্ৰভাৱে জীৱন যাপন কৰাৰ এটা আৰ্হি আমালোকক দি থৈ যাব পাৰে
(১ম পিতৰ ২:২১)।

## ১৪. এই পাঠটিত আলোচনা কৰা জীৱন শৈলীৰ ক্ষেত্ৰত ঈশ্বৰৰ বাধ্য হোৱাত কিহে সহজ কৰি তোলে বাৰু?

**যোহন ১৪:১৫** *তোমালোকে যদি মোক ______________________ কৰা, তেন্তে মোৰ আজ্ঞাবোৰ পালন কৰিবা।*

**১ম যোহন ৫:৩** *কিয়নো আমি যেন ঈশ্বৰৰ আজ্ঞাবোৰ পালন কৰোঁ, ঈশ্বৰে দিয়া প্ৰেমৰ অভিপ্ৰায় এয়েই; আৰু তেওঁৰ ______________________ ববলৈ ______________________ নহয়।*

**গীতমালা ৪০:৮** *হে মোৰ ঈশ্বৰ, তোমাৰ ইচ্ছা পূৰ কৰিবলৈহে মই ভাল পাওঁ; এনেকি তোমাৰ ______________________ (বিধান) মোৰ ______________________ আছে।*

### ১৫. খ্ৰীষ্টিয়ান জীৱনত কিয় ইমান এটা উচ্চ পৰ্য্যায়ৰ আহ্বান কৰা হয়?

**১ম পিতৰ ২:৯** *কিন্তু যি জনাই আন্ধাৰৰ পৰা তেওঁৰ আচৰিত পোহৰলৈ তোমালোকক আমন্ত্ৰণ কৰিলে, তোমালোকে যেন তেওঁৰ সদগুণ ______________________ কৰা, এই কাৰনে তোমালোক ______________________ বংশ, ৰাজকীয় পুৰোহিতসমুহ, ______________________, আৰু ঈশ্বৰৰ নিজ অধিকাৰৰ অৰ্থে এক বিশেষ লোক হৈছা।*

**টোকা:** যীচুৰ ৰাষ্ট্ৰদূত হিচাপে, বাস্তৱিকতে খ্ৰীষ্টিয়ানবিলাকৰ এটা উচ্চ পৰ্য্যায়ৰ আহ্বান আছে! যোহন বাপ্তাইজকে লোকসমুহক যীচুৰ প্ৰথম আগমৰ নিমিত্তে প্ৰস্তুত হোৱাত সহায় কৰিছিল আৰু আজি ঈশ্বৰে তেওঁৰ লোকবিলাকক পবিত্ৰ জীৱন যাপন কৰিবলৈ আহ্বান কৰিছে কিয়নো তেওঁবিলাকে যীচুৰ দ্বিতীয় আগমণৰ নিমিত্তে প্ৰস্তুত হোৱাত আনক সহায় কৰিব লাগিব।

# আপোনাৰ সহাৰি

*আপুনি বাৰু অৰণ্যৰ এক বিশেষ মাত হবলৈ খোজে নে আৰু এটা ভক্তিপূৰ্ণ জীৱন শৈলীৰ যোগেদি সাক্ষ্য দি আনক যীচুৰ দ্বিতীয় আগমণৰ বাবে প্ৰস্তুত কৰিব নে?*

***উত্তৰ:*** ______________________

# সংযোজন

*এই খন্ডটিয়ে অতিৰিক্ত অধ্যয়ণৰ বাবে অধিক তথ্যৰ যোগান ধৰিব।*

## খ্ৰীষ্টৰ নিমিত্তে ৰাষ্ট্ৰদূত

যেতিয়া এজন ব্যক্তি এজন খ্ৰীষ্টিয়ান হৈ পৰে, তেওঁ বা তাই এখন উত্তম ৰাজ্যৰ পৰা এজন ৰাষ্ট্ৰদূত হিচাপে তালিকা ভূক্ত হয়।বাইবেলে কৈছে, "আমি খ্ৰীষ্টৰ নিমিত্তে ৰাজদূতৰ কৰ্ম্ম কৰিছোঁ" ২য় কৰিন্থীয়া ৫:২০।

এগৰাকী ৰাজদূত বা ৰাষ্ট্ৰদূতৰ বিষয়ে অভিধানত এইদৰে ব্যাখ্যা কৰিছে, "সৰ্ব্বোচ্চ পদত নিয়োজিত এগৰাকী কূটনৈতিক চৰকাৰী অফিচাৰ" আৰু এখন দেশ বা চৰকাৰৰ দ্বাৰাই আন এখন দেশ বা ৰাজ্যত প্ৰতিনিধি হিচাপে "সচৰাচৰ এক সীমিত সময়ৰ নিমিত্তে" ৰখা বিশ্বাসযোগ্য সন্মানীয় ব্যক্তি।

ৰাষ্ট্ৰদূত সকল যেনেকৈ ৰাজনৈতিক ক্ষেত্ৰখনত অতি আৱশ্যকীয় থিক তেনেকৈ আত্মিক ক্ষেত্ৰখনতো সিমানেই আৱশ্যকীয়। স্বৰ্গৰাজ্যৰ নাগৰিক সকল, এই জগতৰ নাগৰিক সকলৰ দৰে একে নহয়। যীচু কোননো হয় আৰু তেওঁ কেনেকুৱা তাক প্ৰদৰ্শণ কৰিবলৈ আমালোকক পৃথিবীত প্ৰেৰণ কৰা হৈছে। আমি কেনেকৈ কথা কওঁ আৰু কেনেকৈ কাম কৰোঁ আৰু কেনে ধৰনেৰে খাওঁ পান কৰোঁ এই সকলোবোৰতে তেওঁৰ প্ৰতিমূৰ্ত্তি প্ৰতিফলিত কৰিবলৈ পবিত্ৰ আত্মাৰ যোগেদি আমি তেওঁৰ প্ৰতিনিধিত্ব কৰিছোঁ। অন্য কথাত কবলৈ হলে, আমি যেতিয়া ঈশ্বৰৰ আত্মিক ৰাজ্যখনৰ এটা অংশত পৰিণত হওঁ, আমি প্ৰতিনিধিত্ব কৰা চৰকাৰখনৰ এটা জীৱন্ত প্ৰদৰ্শনী হোৱা উচিত। ২য় কৰিন্থীয়া ৩:১৮ পদত, বাইবেলে কৈছে যে, "... প্ৰভুৰ গৌৰৱ চাওঁতে চাওঁতে, সেই গৌৰৱৰ পৰা গৌৰৱ পাই, আত্মাৰূপ প্ৰভুৰ দ্বাৰাই পৰিণত হোৱাৰ দৰে পৰিণত হৈ, সেই একে মূৰ্ত্তি হব লাগিছোঁ"।

আমি, অৰ্থাত, মন্ডলি হৈছে আজিৰ জগতখনত যীচুৰ ভৰি আৰু হাত, চকু আৰু মুখ, আৰু হয়, এনেকি তেওঁৰ কান। আমি হৈছো খ্ৰীষ্টৰ শৰীৰ (ইফিচীয়া ১:২২, ২৩; ৫:২৯, ৩০; কলচীয়া ১:১৮)। তেওঁ স্বৰ্গাৰোহন কৰাৰ আগেয়ে, যীচুৱে আমালোকক এইবুলি কৈছিল, "পিতৃয়ে যেনেকৈ মোক পঠালে,ময়ো তেনেকৈ তোমালোকক পঠাই দিওঁ"। যোহন ২০:২১।

আমাৰ জীৱনৰ প্ৰতিটো দিশ, যীচুৰ জীৱন আৰু ব্যক্তিত্বৰ এটা এটা প্ৰতিফলন হোৱা উচিত। "এইদৰে তোমালোকৰ পোহৰ মানুহৰ আগত প্ৰকাশিত হওঁক; তাতে তেওঁলোকে তোমালোকৰ ভাল কৰ্ম্ম দেখি, স্বৰ্গত থকা তোমালোকৰ পিতৃৰ স্তুতি কৰিব"। মথি ৫:১৬।


©2024 Amazing Facts India
All Rights Reserved Printed in India
+91 916 916 4480 | AFTV.in

অধিক উত্থানশীল, জীৱন পৰিৱৰ্তনকাৰী সম্পদৰ বাবে পৰিদৰ্শন কৰক Bookstore.AFTV.in